# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-MAY-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান।

২। অসম বিধানসভাৰ অধিৱেশনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন।

৩। বিধানসভাত মন্ত্ৰী অজন্তা নেওগৰ মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে সংকল্প প্ৰস্তাৱ।

৪। গুৱাহাটী উচ্চ ন্যায়ালয়ত অহা ২৯ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ ৰায়।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে-অফ পৰ্যায়ৰ খেলসমূহ কাইলৈৰ পৰা আৰম্ভ।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰে।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ জন লোকক পদ্ম বিভূষণ, ১৩ জনক পদ্ম ভূষণ আৰু ১১৩ জন লোকক পদ্মশ্ৰী বঁটাকে মুঠ ১৩১ জন লোকলৈ পদ্ম বঁটা আগবঢ়োৱা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্ৰদান কৰা হয়।

অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই এই বিধেয়ক উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে লিভ-ইন সম্পৰ্কত থকা লোকসকলৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে। অৱশ্যে ৰাজ্যখনত বসবাস কৰি থকা অনুসূচিত জনজাতিৰ লোকসকলক এই

বিধেয়কে সামৰি নল'ব। বিবাহৰ ক্ষেত্ৰত পুৰুষৰ ন্যূনতম বয়স ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ নিৰ্ধাৰণ কৰাৰ লগতে বহুবিবাহ নিষিদ্ধ কৰিবলৈ বিচৰা হৈছে। আনহাতে আইনী অধিকাৰৰ সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে এই বিধেয়কত বিবাহ আৰু বিবাহ বিচ্ছেদৰ পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈকো বিচৰা হৈছে।

ইয়াৰ জৰিয়তে অসম উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভিতৰত এই বিধেয়ক উত্থাপন কৰা প্ৰথমখন আৰু দেশৰ ভিতৰত তৃতীয়খন বিজেপি শাসিত ৰাজ্য হিচাপে পৰিগণিত হ'ল। এই বিধেয়ক সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই এইদৰে কয়- ***(বাইট)***

উল্লেখযোগ্য যে চলিত বৰ্ষৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰচাৰিত সংকল্পপত্ৰত বিজেপিয়ে অসমত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতি দিছিল। যোৱা ১৩ মে'ত অনুষ্ঠিত ৰাজ্য মন্ত্ৰীসভাৰ বৈঠকত এই বিধেয়কখনত অনুমোদন জনোৱা হৈছিল।

ooooo

বিধানসভাৰ অধিৱেশনত আজি ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈকে ধৰি আন কেইবাগৰাকীও বিধায়কে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে।

বিধানসভা অধিৱেশনত ৰাজ্যপালৰ অভিভাষণ সন্দৰ্ভত বিতৰ্ক অনুষ্ঠিত হয়। শাসক পক্ষৰ হৈ বিধায়ক বিশ্বজিৎ ফুকনে কয়, যে অসমৰ সামগ্ৰিক উন্নয়নৰ ছবি ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হৈছে। বিজেপিৰ নেতৃত্বত ৰাজ্যখনে নতুন গতি লাভ কৰিছে। বিধায়ক পীযুষ হাজৰিকাই কয় যে, অন্য দেশৰ তুলনাত ভাৰতত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি যথেষ্ট কম। কংগ্ৰেছৰ বিধায়ক জাকিৰ হুচেইন শিকদাৰে ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি কয়, যে ৰাজ্যত মূল্য বৃদ্ধিয়ে জনসাধাৰণক কোঙা কৰি পেলাইছে। এই ভাষণত চৰকাৰৰ ব্যৰ্থতা কৌশলেৰে লুকুৱাই ৰখাৰ প্ৰয়াস কৰা হৈছে। বিধায়ক পদ্ম হাজৰিকাই কয়, যে দখল উচ্ছেদ কৰাটো এই চৰকাৰৰ অন্যতম সফলতা। দখলমুক্ত ভূমিত চৰকাৰে ভালেসংখ্যক উন্নয়নমূলক প্ৰকল্প গ্ৰহণ কৰি থলুৱা নিবনুৱাক সংস্থাপন দিছে। এইবাৰ প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত কেইবাগৰাকী বিধায়কে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত নিজ নিজ বক্তব্য দাঙি ধৰি সদনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়।

ooooo

বিধানসভাৰ অধিৱেশনত আজি মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে সংকল্প প্ৰস্তাৱ উত্থাপন কৰে। শ্ৰীমতী নেওগে কয়, যে দেশৰ মহিলাসকলক আগবঢ়াই নিয়াৰ বাবে সকলোৰে সহায়-সহযোগিতা লাগিব। মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে এই সংৰক্ষণ অতি প্ৰয়োজনীয়। মহিলাৰ বাবে আসন সংৰক্ষণৰ প্ৰস্তাৱ উত্থাপন কৰি মন্ত্ৰী অজন্তা নেওগে এইদৰে কয়-

**(বাইট)**

উল্লেখযোগ্য যে, ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ ৰায় অহা ২৯ মে'ত প্ৰদান কৰিব। আজি অভিযুক্ত পক্ষ আৰু অসম চৰকাৰৰ পক্ষৰ যুক্তি শুনাৰ অন্তত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ এজনীয়া বিচাৰপীঠে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ ৰায় প্ৰদানৰ বাবে ২৯ মে'ৰ দিনটো ধাৰ্য কৰে। উল্লেখযোগ্য যে যোৱা ২২ মে'ত অভিযুক্ত মহন্তক নিৰ্দোষী আখ্যাৰে জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল। ইয়াৰ বিপৰীতে আজি অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ তীব্ৰ বিৰোধিতা কৰে। কি কি কাৰণত জামিন লাভ কৰি নালাগে সেয়া ব্যাখ্যা

কৰি মহাধিবক্তা শইকীয়াই অভিযুক্ত মহন্তই জামিন লাভ কৰিলে পুনৰ পলাই যোৱাৰ সম্ভাৱনা আছে বুলি আদালতক অৱগত কৰে। এনেদৰে উভয় পক্ষৰ যুক্তি শুনাৰ পাছত আদালতে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ ৰায় প্ৰদানৰ বাবে ২৯ মে'ৰ দিনটো ধাৰ্য কৰে।

**ৱাইট**

০০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ২০২৭ বৰ্ষৰ লোকপিয়ল আৰু গৃহ পিয়লৰ সৈতে জড়িত প্ৰধান লোকপিয়ল বিষয়াসকলৰ ৰাজ্যিক পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হয়। অসম লোকপিয়ল সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত এই সন্মিলনত দেশৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত, মুখ্য লোকপিয়ল বিষয়া, ৰাজ্যিক ন'ডেল বিষয়া, সকলো জিলাৰ জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে ২০২৭ বৰ্ষৰ লোকপিয়ল প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে পৰিচালনা কৰা হ'ব আৰু গৃহ তালিকা, গৃহ পিয়ল আৰু জনসংখ্যা গণনা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। লোকপিয়লৰ প্ৰথম পৰ্যায়ত গৃহ আৰু পৰিয়ালৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। প্ৰথম পৰ্যায়ৰ জৰিয়তে সংগৃহীত তথ্যই সমগ্ৰ দেশৰ লগতে অসমৰ গ্ৰামাঞ্চল, নগৰাঞ্চল, গৃহনিৰ্মাণ, আন্তঃগাঁথনি আৰু মৌলিক সেৱা প্ৰদানৰ বাবে পৰিকল্পনা কৰাৰ ক্ষেত্ৰত, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক যথেষ্ট সহায় কৰিব। গৃহ তালিকা আৰু গৃহ পিয়লৰ জৰিয়তে সংগ্ৰীহিত নৱীকৃত আৰু প্ৰাথমিক তথ্যসমূহে সমগ্ৰ ৰাজ্যতে বানপ্ৰৱণ অঞ্চল, নগৰ সম্প্ৰসাৰণ, চাহ বাগিচা অঞ্চল, জনজাতীয় অঞ্চলৰ বাবে উন্নত পৰিকল্পনা আৰু বিভিন্ন সামাজিক খণ্ডৰ আঁচনি ৰূপায়ণত সহায় কৰিব। আনহাতে গৃহ আৰু পৰিয়ালৰ সুবিধা সমূহৰ সঠিক তথ্যই ৰাজ্যিক গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ উভয়তে গৃহ নিৰ্মাণ, খোৱাপানী, শৌচালয়, বিদ্যুৎ আৰু ডিজিটেল সংযোগৰ সৈতে জড়িত কাম-কাজসমূহ ভালদৰে ৰূপায়ণ কৰাত যথেষ্ট সহায়ক হ'ব।

ৰাজ্য চৰকাৰে লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ বাবে ৰাষ্ট্ৰীয় সময়সূচী ১৭ আগষ্টৰ পৰা ১৫ ছেপ্তেম্বৰলৈ নিৰ্ধাৰণ কৰি অধিসূচনা জাৰি কৰিছে। অসমত প্ৰথম পৰ্যায়ৰ বাবে স্ব-গণনা ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ চৰকাৰী প'ৰ্টেলৰ জৰিয়তে উপলব্ধ হ'ব। দেশৰ আন কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে অসমতো ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনা কৰা হ'ব। আজিৰ বৈঠকত ক্ষেত্ৰ পৰিচালনা, প্ৰশিক্ষণ, ডিজিটেল আন্তঃগাঁথনি, পৰ্যবেক্ষণ আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন প্ৰস্তুতিৰ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচী চলোৱাৰ বাবে অসমৰ পৰা দুজন ৰাষ্ট্ৰীয় প্ৰশিক্ষক নিৰ্বাচিত কৰা হৈছে। ৰাজ্যত মুঠ ৫৯ জন অভিজ্ঞ প্ৰশিক্ষক নিয়োগ কৰা হৈছে। ৰাজ্যত লোকপিয়লৰ প্ৰথম পৰ্যায়ত সংৰক্ষিত কৰ্মীকে ধৰি মুঠ প্ৰায় ৮৩ হাজাৰ ৫৩৫ জন গণনাকাৰী আৰু পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি আৰম্ভ হোৱা তথ্য, জলজীৱন, শিক্ষা, স্বাস্থ্য, কৃষি আৰু পথ যোগাযোগ অভিযানৰ অংশ হিচাপে জনজাতীয় লোকৰ সৰ্বাংগীণ উন্নতিৰ লক্ষ্যৰে সপ্তাহজোৱা কাৰ্যসূচীৰে জিলাসমূহত অনুষ্ঠিত হোৱা জন ভাগীদাৰী অভিযান তথা জনজাতীয় গৌৰৱ উৎসৱ ২০২৬ৰ আজি সামৰণি পৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ জন ভাগীদাৰী অভিযান আঁচনিৰ সফল সামৰণি সন্দৰ্ভত জিলা প্ৰশাসনে এখন সংবাদমেলত আয়োজন কৰে। এই সংবাদমেলত সকলোতকৈ দূৰত তথা দুৰ্গম অঞ্চলত বাস কৰা লোককো যাতে বিভিন্ন চৰকাৰী আঁচনিসমূহে সামৰি ল'ব পাৰে এই বিষয়ে আলোচনা কৰা হয়।

চিৰাং জিলাতো মুঠ ১১০ খন জনজাতীয় গাঁও সামৰি আৰম্ভ হোৱা সপ্তাহজোৱা এই কাৰ্যসূচীৰ আজি সামৰণি পৰে। চিদলী-চিৰাং উন্নয়ন খণ্ডৰ ৬৭ খন গাঁও, মাণিকপুৰ উন্নয়ন খণ্ডত ৩ খন আৰু বড়োবজাৰ জনজাতি উন্নয়ন

খণ্ডৰ মুঠ ৪০ খন জনজাতীয় গাঁৱত এই চৰকাৰী আঁচনিৰ বিষয়ে অৱগত কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি এটা বিনামূলীয়া চিকিৎসা শিবিৰো অনুষ্ঠিত হয়।

০০০০০

নলবাৰীৰ কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ষষ্ঠদশ প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনৰ পাছতে বিশ্ববিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা এটা অনুষ্ঠানত বিশ্ববিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে বেদমন্ত্ৰ উচ্চাৰণৰ লগতে বৰগীত পৰিৱেশন কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড০ প্ৰহ্লাদ যোশীয়ে আদৰণি ভাষণ প্ৰদান কৰি বিভিন্ন বিভাগৰ সহযোগত আয়োজন কৰা শৈক্ষিক কাৰ্যাৱলীৰ লগতে ব্যক্তিত্ব বিকাশৰ বিভিন্ন কাৰ্যসূচী,ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা সফলতাৰ লগতে বিশ্ববিদ্যালয়খনত আয়োজন কৰা বিভিন্ন কাৰ্যসূচীৰ খতিয়ান দাঙি ধৰে। এই কাৰ্যসূচীতে **দুৰ্গাস্তুতি** আৰু **পূৰ্বোত্তৰ ভাৰতৰ বৈদিক শিক্ষা পৰম্পৰা** আৰু বিশ্ববিদ্যালয়ৰ গৱেষণা পত্ৰিকা **স্নিথিকা** উন্মোচন কৰা হয়।

০০০০০

তেজপুৰৰ ডেকাৰ গাঁও নিবাসী ৰাষ্ট্ৰীয় খো খো খেলুৱৈ ৰঞ্জন মিলিৰ আজি পুৱা দুৰ্ঘটনাত পতিত হৈ মৃত্যুমুখত পৰে। জানিব পৰা মতে পুৱা প্ৰায় চাৰে ৭ মান বজাত চাইকেল চলাই বিদ্যালয়লৈ গৈ থকাৰ সময়তে পিছফালৰ পৰা ট্ৰাকে খুন্দিওৱাৰ ফলত খেলুৱৈগৰাকী থিতাতে নিহত হয়। তেওঁ ৰাষ্ট্ৰীয় বিদ্যালয় খো খো প্ৰতিযোগিতাত অসম জুনিয়ৰ দলৰ খেলুৱৈ আছিল। ৰঞ্জন মিলিৰ মৃত্যুত অসম খো খো সন্থাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০

অসম ভ্ৰমণলৈ অহা ভূটানৰ প্ৰধানমন্ত্ৰী ডাছ' ছেৰিং টগবেয়ে আজি গুৱাহাটীৰ লোকভৱনৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সৌজন্যমূলক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল শ্ৰী আচাৰ্যই প্ৰধানমন্ত্ৰী টগবেক গামোচা, শৰাই আদিৰে আদৰণি জনায়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীক গায়ন-বায়ন, সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, বিহুনাচ আৰু বড়ো নৃত্যৰে লোকভৱনলৈ আদৰি অনা হয়।

০০০০০

মৰিগাঁও জিলাৰ মিকিৰগাঁৱৰ শিল্পী তাজনুৰ আলীয়ে ম'হৰ শিঙৰ পেঁপাৰ আৰ্হিত এটা ৫০ ফুট দৈৰ্ঘ্যৰ পেঁপা নিৰ্মাণ কৰি উলিয়াইছে। এই পেঁপাটো কালি লাঠৰিবড়িৰ জনজাতি যুৱক সংঘই আয়োজন কৰা মুকলি বিহুৰ বাকৰিত উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ইয়াৰ আগতেও শিল্পীগৰাকীয়ে এখন কাঠৰ চাইকেলকে ধৰি সামগ্ৰী তৈয়াৰ ৰাইজৰ সমাদৰ লাভ কৰি সমৰ্থ হৈছে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সকলো ৰেচন কাৰ্ড হিতাধিকাৰীক বাধ্যতামূলকভাৱে ই-কে ৱাই চি সম্পূৰ্ণ কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। জিলা আয়ুক্ত কাৰ্যালয়ৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাই জাৰি কৰা জাননী অনুসৰি অহা ২৬ মে'ৰ ভিতৰত ই-কে ৱাই চি সম্পূৰ্ণ নকৰিলে সংশ্লিষ্ট হিতাধিকাৰীৰ নাম ৰেচন কাৰ্ডৰ পৰা কৰ্তন কৰা হ'ব। প্ৰশাসনৰ তথ্য অনুসৰি জিলাখনত বৰ্তমান মুঠ এহেজাৰ ১৬৪ খন ৰেচন কাৰ্ডৰ ই-কে ৱাই চি সম্পূৰ্ণ হোৱা নাই। ইফালে অবৈধভাৱে নতুন ৰেচন কাৰ্ড আবেদন আৰু সদস্য সংযোজন কৰাৰ অভিযোগ পোৱাৰ পাছতে এই প্ৰক্ৰিয়া সাময়িকভাৱে স্থগিত ৰখা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে-অফ পৰ্যায়ৰ খেলসমূহ কাইলৈৰ পৰা আৰম্ভ হ'ব। ইতিমধ্যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদ, গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছে প্লে-অফত স্থান নিশ্চিত কৰিছে। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দল হিচাপে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কাইলৈ হিমাচল প্ৰদেশ ক্ৰিকেট

এচ'চিয়েছন ষ্টেডিয়ামত কোৱালিফায়াৰ ৰানত গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনৰ বিজয়ী দলটোৱে পোনে পোনে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিব আৰু পৰাজিত দলোৱে কোৱালিফায়াৰ টুত প্ৰতিদ্বন্দ্বিতা কৰাৰ আন এটা সুযোগ লাভ কৰিব। অহা ২৭ মে'ত নিউ চণ্ডিগড়ত হ'বলগীয়া এলিমিনেটৰত  ৰাজস্থান ৰয়েলছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব আৰু ইয়াৰে বিজয়ী দলটোৱে কোৱালিফায়াৰ টুত অৱতীৰ্ণ হোৱাৰ সুযোগ পাব।

ooooo

সমাপ্ত